অসম

জনজাতিৰ মর্যাদা আৰু ৫৫১ টকা মজুৰিৰ দাবীত ডুমডুমাত আছাৰ পোষ্টাৰ অভিযান

অনুসূচিত জনজাতিৰ মর্যাদা আৰু দৈনিক ৫৫১ টকা মজুৰিৰ দাবীত ডুমডুমাৰ চাহ বাগিচাত আছাৰ পোষ্টাৰ অভিযান।

প্রকাশ: ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২২



ডুমডুমা, ২৭ নৱেম্বৰ: অনুসূচিত জনজাতিৰ মর্যাদা, ভূমিৰ অধিকাৰ আৰু চাহ শ্রমিকৰ দৈনিক মজুৰি বৃদ্ধিৰ দাবীত তিনিচুকীয়া জিলাৰ ডুমডুমাৰ চাহ বাগিচাসমূহত এক ব্যাপক পোষ্টাৰ অভিযান আৰম্ভ কৰিছে সদৌ আদিবাসী ছাত্র সন্থা চমুকৈ আছাই। বৃহস্পতিবাৰে সংগঠনটোৰ কেন্দ্রীয় আৰু তিনিচুকীয়া জিলা সমিতিৰ নির্দেশনাত ডুমডুমা আঞ্চলিক সমিতিয়ে এই কার্যসূচী ৰূপায়ণ কৰে।

এই অভিযানৰ জৰিয়তে আদিবাসী জনগোষ্ঠীৰ দীর্ঘদিনীয়া দাবীসমূহ পুনৰ উত্থাপন কৰি বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্র ক্ষোভ প্রকাশ কৰে ছাত্র সংগঠনটোৱে। নির্বাচনৰ পূর্বে আদিবাসী সমাজক দিয়া প্রতিশ্রুতিসমূহ চৰকাৰে পূৰণ কৰাত কোনো গুৰুত্বপূর্ণ পদক্ষেপ গ্রহণ নকৰা বুলি সংগঠনটোৰ এগৰাকী নেতাই অভিযোগ তোলে। দাবীসমূহ পূৰণ নোহোৱালৈকে গণতান্ত্রিক আন্দোলন অব্যাহত থাকিব বুলিও তেওঁ স্পষ্ট কৰি দিয়ে।

সংগঠনটোৱে মূলতঃ চাৰিটা দাবী উত্থাপন কৰিছে। সেইসমূহ হৈছে— আদিবাসী জনগোষ্ঠীক অনুসূচিত জনজাতিৰ মর্যাদা প্রদান, চাহ শ্রমিকৰ বাসগৃহ থকা মাটিৰ পট্টা প্রদান, চাহ বাগিচা শ্রমিক আইন, ১৯৫১ৰ অধীনত দৈনিক ন্যূনতম মজুৰি ৫৫১ টকালৈ বৃদ্ধি আৰু আছাৰ ৯ দফীয়া দাবী চনদ কার্যকৰী কৰা।

অভিযানত অংশগ্রহণ কৰি চামেলী তাঁতী নামৰ এগৰাকী চাহ শ্রমিকে কয় যে ভূমিৰ অধিকাৰ আৰু ন্যায্য মজুৰিৰ বাবে তেওঁলোকে বহু বছৰ ধৰি অপেক্ষা কৰি আহিছে। শ্রমিক পৰিয়ালসমূহৰ নিৰাপদ বাসস্থান, মাটিৰ মালিকীস্বত্ব আৰু উন্নত মজুৰি অত্যন্ত প্রয়োজন বুলিও তেওঁ উল্লেখ কৰে।

আছাই জানিবলৈ দিয়া মতে, এই পোষ্টাৰ অভিযান তেওঁলোকৰ ধাৰাবাহিক গণতান্ত্রিক আন্দোলনৰ এটা অংশহে। চৰকাৰে এই দাবীসমূহ সমাধান নকৰালৈকে ৰাজ্যৰ বিভিন্ন চাহ বাগিচা আৰু আদিবাসী অধ্যুষিত অঞ্চলত আন্দোলন অব্যাহত থাকিব।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6919/aasaa-poster-campaign-doomdooma-tea-garden-demands